# আজি নলবাৰীত প্ৰধানমন্ত্ৰীৰ ৰাষ্ট্ৰীয় ডায়েলাইছিছ আঁচনিৰ শুভাৰম্ভ

# মন্ত্ৰী হিমন্তক আদৰিবলৈ ব্যাপক প্ৰস্তুতি বিজেপিৰ

**বিশেষ বাৰ্তা, নলবাৰী, ১৩ জুন ঃ** নলবাৰী জিলাবাসীৰ বাবে সুখবৰ। প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় ডায়েলাইছিছ আঁচনিৰ অধীনত দৰিদ্ৰ শ্ৰেণীৰ ৰোগীৰ বাবে বিনামূলীয়াকৈ ডায়েলাইছিছ আঁচনিৰ কাইলৈ শুভাৰম্ভ হ'ব নলবাৰীত। নলবাৰীত এই ব্যৱস্থাৰ কাইলৈ শুভাৰম্ভ কৰিব ৰাজ্যৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। দিনৰ ১.৩০ বজাত নলবাৰীৰ শ্বহীদ মুকুন্দ কাকতি অসামৰিক চিকিৎসালয়ত বিনামূলীয়া ডায়েলাইছিছ কেন্দ্ৰটোৰ শুভ উদ্বোধনী অনুষ্ঠানলৈ স্বাস্থ্যমন্ত্ৰীগৰাকীক বিপুল আদৰণি জনোৱাৰ ব্যাপক প্ৰস্তুতি চলাইছে নলবাৰী জিলা বিজেপিয়ে। জিলা বিজেপিৰ সভাপতি বনদ্বীপ ডেকাই আজি 'নিয়মীয়া বাৰ্তা'ক জানিবলৈ দিয়া মতে, ঢুলীয়া-খুলীয়াৰ দলে প্ৰায় ৮.১০ হাজাৰ লোকৰ উপস্থিতিত মন্ত্ৰীগৰাকীক নলবাৰীৰ গড়কাপ্তানী বঙলাৰ সন্মুখৰ পৰা চিকিৎসালয় ক্ষেত্ৰলৈ আদৰি আনিব। ইপিনে জিলা প্ৰশাসনে জানিবলৈ দিয়া মতে, কাইলৈৰ শুভ উদ্বোধনী অনুষ্ঠানত পৰিবহণ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, ৰাজ্যিক স্বাস্থ্যমন্ত্ৰী পীযুষ হাজৰিকা, মঙলদৈৰ সাংসদ দিলীপ শইকীয়া, নলবাৰীৰ বিধায়ক অশোক শৰ্মা, বৰক্ষেত্ৰীৰ বিধায়ক নাৰায়ণ ডেকা উপস্থিত থাকিব।